NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date : 15**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। মহাৰাষ্ট্ৰত আজি শাসনাধিস্থিত মহাযুটী মন্ত্ৰীসভাৰ বহু প্ৰতিক্ষিত সম্প্ৰসাৰণ সম্পন্ন হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মাওবাদীসকলক অস্ত্ৰ ত্যাগ কৰি সমাজৰ মূল সূতীলৈ উভতি আহিবলৈ আহ্বান জনাইছে।

৩। বিদেশী বিনিয়োগকাৰীয়ে চলিত মাহৰ প্ৰথম দুসপ্তাহত ভাৰতীয় মূলধনী বজাৰত প্ৰায় ২৮ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে।

৪। যক্ষ্মা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত জন সজাগতা আৰু জন অংশগ্ৰহণ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। *আৰু*

৫। মালয়েছিয়াৰ কোৱালালামপুৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ উদ্বোধনী খেলত ভাৰতীয় মহিলা দলে পাকিস্তানৰ বিৰুদ্ধে ৯ উইকেটত জয়লাভ কৰিছে।

০০০০০

মহাৰাষ্ট্ৰত আজি শাসনাধিস্থিত মহাযুটী মন্ত্ৰীসভাৰ বহু প্ৰতিক্ষিত সম্প্ৰসাৰণ সম্পন্ন হৈছে। মন্ত্ৰীসভাৰ কেইবাগৰাকী সদস্যই আজি নাগপুৰৰ ৰাজভৱনত শপত গ্ৰহণ কৰে। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে তেওঁলোকক শপত বাক্য পাঠ কৰোৱায়। বিজেপিৰ ১৬ গৰাকী, শিৱসেনাৰ ১০ গৰাকী, আৰু এন চি পিৰ ৮ গৰাকী সদস্যই কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। উল্লেখযোগ্য নেতাসকলৰ ভিতৰত মহাৰাষ্ট্ৰ বিজেপিৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱনকুলে কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁৰ লগতে দলৰ নেতা ৰাধা কৃষ্ণ ভিখে পাটিল, চন্দ্ৰকান্ত পাটিল আৰু গিৰিশ মহাজনে কেবিনেট মন্ত্ৰী হিচাপে শপত লয়। এন চি পিৰ নেতা হাচান মছৰিফ আৰু শিৱসেনাৰ নেতা গোলাপ ৰাও পাটিলেও কেবিনেট মন্ত্ৰী হিচাপে শপত লয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবীজ আৰু উপ মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰো উপস্থিত থাকে। উল্লেখযোগ্য যে মহাৰাষ্ট্ৰ বিধানসভাৰ শীতকালীন অধিবেশন কাইলৈ আৰম্ভ হব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মাওবাদীসকলক অস্ত্ৰ ত্যাগ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিবলৈ আহ্বান জনায়। ৰায়পুৰত ছত্তীশগড় আৰক্ষীক সন্মানীয় প্ৰেছিডেণ্টছ কালাৰ প্ৰদান অনুষ্ঠানত দিয়া ভাষণত শ্ৰী শ্বাহে কয় যে ২০২৬ চনৰ ৩১ মাৰ্চৰ আগেয়ে চত্তিশগড়ক নক্সালমুক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে স্থিৰ কৰা লক্ষ্যত উপনীত হবলৈ ছত্তীশগড় আৰক্ষীয়ে সাহস আৰু নিষ্ঠাৰে নক্সাল বিৰোধী অভিযান চলাই আছে । তেওঁ কয় যে

ছত্তীশগড় চৰকাৰে আত্মসমৰ্পণৰ উত্তম নীতি প্ৰস্তুত কৰিছে আৰু আত্মসমৰ্পণকাৰী মাওবাদীসকলক উপযুক্ত সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰপতিগৰাকীয়ে ছত্তীশগড় আৰক্ষীক দিয়া নিচান তেওঁলোকৰ সেৱা আৰু ত্যাগৰ প্ৰতীক।এয়া কেৱল সন্মান নহয়, বৰ্ং তেওলোকৰ ওপৰত অৰ্পণ কৰা  দায়িত্বও বুলি তেওঁ উল্লেখ কৰে

এই উপলক্ষে গৃহমন্ত্ৰীয়ে ছত্তীশগড় আৰক্ষীক সন্মানীয় ৰাষ্ট্ৰপতিৰ ৰং প্ৰদান কৰাৰ লগতে পেৰেড প্ৰত্যক্ষ কৰে।

অনুষ্ঠানত ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাই, বিধানসভাৰ অধ্যক্ষ ড° ৰমন সিং আৰু উপ-মুখ্যমন্ত্ৰী বিজয় শৰ্মাও উপস্থিত থাকে। এই কাৰ্যসূচীত চত্তিশগড় আৰক্ষীৰ কেইবাটাও শাখাই আকৰ্ষণীয় পেৰেড প্ৰদৰ্শন কৰে। এই ভ্ৰমণকালত গৃহমন্ত্ৰীয়ে আজি সন্ধিয়া জগদলপুৰত আয়োজিত বাস্তাৰ অলিম্পিকৰ সামৰণি অনুষ্ঠানত অংশ লব।

ooooo

বিদেশী বিনিয়োগকাৰীয়ে চলিত মাহৰ প্ৰথম দুসপ্তাহত ভাৰতীয় মূলধনী বজাৰত প্ৰায় ২৮ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। তথ্য অনুসৰি বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগকাৰীয়ে ভাৰতৰ ইকুইটি বজাৰত ২২ হাজাৰ ৭৬৬ কোটি টকা আৰু ঋণৰ বজাৰত ৪ হাজাৰ ৮১৪ কোটি টকা বিনিয়োগ কৰিছে। বিদেশী বিনিয়োগকাৰীসকলে যোৱা মাহত ২১ হাজাৰ ৬১২ কোটি আৰু অক্টোবৰ মাহত ৯৪ হাজাৰ ১৭ কোটি টকা ওভতাই লৈছিল। উল্লেখযোগ্য যে চেপ্টেম্বৰ মাহত ৯ মাহৰ ভিতৰতে সৰ্বাধিক ৫৭ হাজাৰ ৭২৪ কোটি টকাৰ বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগ হৈছিল। চলিত বছৰৰ এই পৰ্যন্ত ভাৰতীয় মূলধনী বজাৰত বিদেশী বিনিয়োগকাৰীয়ে ১ লাখ ২০ হাজাৰ কোটি টকাৰো অধিক বিনিয়োগ কৰিছে।

ooooo

**এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত লোকসভাত কাইলৈ দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত দেশত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ বাবে সংবিধান সংশোধনী বিধেয়কৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছিল।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ এখন সমিতিয়ে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। **এখন দেশ এটা নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হ'ব আৰু পঞ্চায়ত তথা পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব। এই বিধেয়কখন আইন হিচাপে গৃহীত হলে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুসংহত হোৱাৰ লগতে

ইয়াৰ ক্ষীপ্ৰতা বৃদ্ধি পাব বুলি আশা কৰা হৈছে। তদুপৰি কেইবাটাও নিৰ্বাচনী ভিন ভিন সময়ত অনুষ্ঠিত হোৱাৰ ফলত সৃষ্টি হোৱা বিত্তীয় আৰু প্ৰশাসনীয় ছাপ হ্ৰাস পাব বুলিও আশা কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় দীঘলীয়া সময় হ্ৰাস হোৱাৰ লগতে এই প্ৰক্ৰিয়া চলি থকাৰ সময়ত প্ৰশাসন ব্যৱস্থা পৰিচালনাত হোৱা ব্যাঘাত দূৰ কৰিব পৰা যাব বুলিও কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

ooooo

মধ্য প্ৰদেশৰ গোৱালিয়ৰত আজি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা ভূ-বিজ্ঞান সংগ্ৰহালয় উদ্বোধন কৰে। এই অত্যাধুনিক সংগ্ৰহালয়টো ভূ-বিজ্ঞান শিক্ষা আৰু জনসংযোগৰ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। এনে ধৰণৰ সংগ্ৰহালয়ে ভাৰতীয় ভূতাত্বিক জৰীপৰ অনন্য পদক্ষেপক প্ৰতিনিধিত্ব কৰি ভূ-বিজ্ঞানৰ আপৰুগীয়া সমলসমূহ প্ৰদৰ্শনৰ লগতে জনসাধাৰণৰ মাজত বিজ্ঞান মানসিকতাৰ প্ৰসাৰ আৰু জ্ঞানৰ বিনিময়ক উৎসাহিত কৰিব।

উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মধ্য প্ৰদেশৰ জীৱাজী বিশ্ববিদ্যালয়ত মহাৰাজা শ্ৰীমন্ত জীৱাজী ৰাও সিন্ধিয়াৰ প্ৰতিমূৰ্তিও উন্মোচন কৰে। এই অনুষ্ঠানত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেল, মুখ্য মন্ত্ৰী ডঃ মোহন যাদৱ আৰু কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

যক্ষ্মা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে মাদক দ্ৰব্যৰ আসক্তি ৰোধ কৰাৰ ক্ষেত্ৰত জন সজাগতা আৰু জন অংশগ্ৰহণ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। আজি নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামত আজি অনুষ্ঠিত যক্ষ্মা মুক্ত ভাৰত সজাগতা ক্ৰিকেট খেল উদ্বোধন কৰি অধ্যক্ষগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ সাংসদসকলক ভাৰতক যক্ষ্মামুক্ত কৰাৰ লগতে জন আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়। খেলখনত আজি লোকসভাৰ অধ্যক্ষ একাদশে ৰাজ্যসভাৰ সভাপতি একাদশৰ বিৰুদ্ধে জয়লাভ কৰে। প্ৰীতি ক্ৰিকেট খেলখনত বিভিন্ন ৰাজনৈতিক দলৰ সাংসদ সকলে অংশগ্ৰহণ কৰে। যক্ষ্মা মুক্ত দেশ গঢ়াৰ বাবে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই ক্ৰিকেট খেলখন অনুষ্ঠিত হৈছিল।

২০ অভাৰৰ খেলখনত লোকসভাৰ অধ্যক্ষ ওম বিৰলা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। লোকসভাৰ অধ্যক্ষ একাদশক প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা হামিৰপুৰ লোকসভা সমষ্টিৰ সাংসদ অনুৰাগ সিং ঠাকুৰে নেতৃত্ব দিয়াৰ বিপৰীতে ৰাজ্যসভাৰ সভাপতি একাদশক কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে নেতৃত্ব দিয়ে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰধানমন্ত্ৰীৰ যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অধীনত ২০২৫ চনৰ ভিতৰত এই ৰোগ নিৰ্মূলৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গ্ৰহণ কৰা পদক্ষেপত আলোকপাত কৰে। শ্ৰী বিৰলাই লগতে কয় যে এই খেলখনে বিভিন্ন অঞ্চলৰ

সাংসদসকলৰ অংশগ্ৰহণৰ জৰিয়তে ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে সজাগতা বৃদ্ধিত সহায় কৰিব

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে খেলখনে এই ৰোগৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লগতে জনসাধাৰণক সুস্থতাৰ প্ৰতি আকৰ্ষিত কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব এই অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। তদুপৰি নমো এপ নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তে জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শ সমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেলযোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

২০৪৭ চনৰ পূৰ্বে বিকশিত ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ সকলো চৰকাৰী বিভাগৰ উপৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সামুহিক প্ৰচেষ্টাৰ প্ৰয়োজনৰ ওপৰত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে গুৰুত্ব আৰোপ কৰিছে। আজি নতুন দিল্লীত বিজ্ঞান মন্ত্ৰালয় আৰু বিভাগসমূহৰ সচিবসকলৰ মন্ত্ৰালয় পৰ্যায়ৰ মাহেকীয়া যুটীয়া বৈঠকত অধ্যক্ষতা কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে ৰাজ্যিক বিজ্ঞান পৰিষদসমূহৰ উদ্ভাৱনমূলক কাৰ্যকলাপ ত্বৰান্বিত কৰি আঞ্চলিক পৰ্যায়ৰ উন্নয়নৰ পোষকতা কৰে। তেওঁ জনসাধাৰণৰ মাজত বিজ্ঞান মানসিকতা গঢ় দিয়াৰ উপৰি তৃণমূল পৰ্যায়ত উদ্ভাৱনৰ বিকাশ আৰু নিত্য নতুন প্ৰত্যাহ্বান গ্ৰহণৰ বাবে স্থানীয় পৰ্যায়তে মোকাবিলা কৰাৰ বাবে ৰাজ্যসমূহক অনুঘটক হিচাপে কাম কৰাৰ বাবে আহ্বান জনায়।

০০০০০

উত্তৰাখণ্ডৰ ডেৰাদুনত আজি বিশ্ব আয়ুৰ্বেদ কংগ্ৰেছ আৰু আৰোগ্য এক্সপ'ৰ দশম সংস্কৰণৰ সামৰণি পৰে। এই অনুষ্ঠানত এইবাৰৰ সংস্কৰণত অভিলেখ সংখ্যক ১২ হাজাৰ প্ৰতিনিধিয়ে পঞ্জীয়ন কৰে। মুঠ ৫৪ খন দেশে ভাগ লোৱা এই অনুষ্ঠানত ৩০০ বিদেশী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি এই অনুষ্ঠানৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, যোৱা বছৰ গোৱাত হোৱা এই অনুষ্ঠানৰ নৱম সংস্কৰণত মুঠ ৫ হাজাৰ ১০২ জন প্ৰতিনিধিয়ে পঞ্জীয়ন কৰে। উত্তৰাখণ্ডৰ মুখ্য মন্ত্ৰী পুস্কৰ সিং ধামিয়ে বিশ্ব আয়ুৰ্বেদ কংগ্ৰেছ আৰু আৰোগ্য এক্সপ'ৰ সফল সমাপ্তিৰ বাবে দেশৰ লগতে বিদেশৰ প্ৰতিনিধিসকলক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

মালয়েছিয়াৰ কোৱালালামপুৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ  এছিয়া কাপ ক্রিকেট প্রতিযোগিতাৰ গ্রুপ-এৰ উদ্বোধনী খেলত ভাৰতীয় মহিলা দলে পাকিস্তানৰ বিৰুদ্ধে ৯ উইকেটত জয়লাভ কৰিছে। আজি পাকিস্তানে প্রথমে বেট ধৰি ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰাণ সংগ্রহ কৰে। প্রত্যুত্তৰত ভাৰতৰ হৈ কমলিনি আৰু চানিকা চল্কেৰ অপেনাৰ যুটীয়ে ৭ অভাৰ আৰু ৫ টা বলতে বিজয় লক্ষ্য অতিক্রম কৰে। মঙলবাৰে ভাৰত -নেপালৰ বিৰুদ্ধে অৱতীর্ণ হ'ব।

ooooo

সমাপ্ত